**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২৩০/২০১৯**

**শোণিতপুৰ জিলা গ্ৰামীণ জীৱিকা অভিযানৰ ঋণ বিতৰণ সভা : সৰ্বমুঠ ৭.৫৪ কোটি টকাৰ ঋণ বিতৰণ**

**তেজপুৰ ২৮ নবেম্বৰ ২০১৯ :-** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা আভিযান, শোণিতপুৰ জিলা পৰিচালনা শাখাৰ সৌজন্যত যোৱা ইং ২৬ নবেম্বৰ তাৰিখে শোণিতপুৰ জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহত এখনি জিলা পৰ্য্যায়ৰ ঋণ বিতৰণ মেলা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত শোণিতপুৰ জিলাৰ ৩৫২ টা মহিলা আত্মসহায়ক গোটক সৰ্বমুঠ ৭.৫৪ কোটি টকাৰ ঋণ মঞ্জুৰি পত্ৰ প্ৰদান কৰা হয়। অুষ্ঠানটিত জিলাখনৰ বিভিন্ন বেংকৰ পৰিচালক সকলৰ উপৰিও নাবাৰ্ড, শোণিতপুৰ জিলা উন্নয়ণ প্ৰবন্ধক, জিলা অগ্ৰনী বেংক প্ৰৱন্ধক, এচবিআইৰ আঞ্চলিক প্ৰবন্ধক আৰু গ্ৰাম্য স্ব-ৰোজগাৰ প্ৰশিক্ষণ কেন্দ্ৰ তেজপুৰৰ সঞ্চালকে ঋণ মঞ্জুৰী পত্ৰমসূহ বিতৰণ কৰে।

প্ৰায় ছশৰো অধিক আত্মসহায়ক গোটৰ সদস্যা উপস্থিত থকা সভাখনত নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধক গৰাকীয়ে আত্মসহায়ক গোটৰ সদস্যাসকলক বেংক ঋণৰ সুবিধাৰ জৰিয়তে নিষ্ঠাৰে নিজৰ জীৱিকাৰ বাট মুকলি কৰি সমাজখনৰ উন্নতিত এক আদৰ্শ হৈ আগবাঢ়ি যাবলৈ সদস্যাসকলক আহ্বান জনায়। বৰ্তমান সময়ত মহিলা আত্মসহায়ক গোটসমূহে নিজা কৰ্মৰ দ্বাৰাই গ্ৰাম্য অৰ্থনীতিৰ ভেঁটি মজবুত কৰিব পাৰে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। সভাত জিলা অগ্ৰনী বেংক প্ৰবন্ধক চন্দ্ৰশেখৰ শৰ্মা, এচবিআইৰ আঞ্চলিক প্ৰৱন্ধক তৰুণ শীল, অসম গ্ৰামীণ বিকাশ বেংক, তেজপুৰ শাখাৰ জ্যেষ্ঠ প্ৰৱন্ধক প্ৰতাজিৎ দাস, আৰচেটিৰ সঞ্চালক নুৰুল হাছান, জিলা প্ৰকল্প প্ৰৱন্ধক লক্ষীনন্দন গোস্বামীয়ে নিজৰ বক্তব্য আগবঢ়ায়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ শোণিতপুৰ জিলাৰ সমূহ কৰ্মকৰ্তা, বেংক সখী সকল উপস্থিত থকা সভাখনৰ আঁত ধৰে নদুৱাৰ খণ্ডৰ খণ্ড প্ৰকল্প বিষয়া চন্দ্ৰশেখৰ আচাৰ্য্যই।